# চন্দ্ৰবালা বৰুৱা



ৰাজু বৰুৱা

**"শোণিত সুবাস" ঃ** তেজপুৰ তথা শোণিতপুৰৰ বিশিষ্ট বৰেণ্য ব্যক্তিৰ গ্ৰন্থমালা। প্ৰকাশক অসমীয়া ক্লাৱ, তেজপুৰ, ৱাৰ্ড নং - ৫, পিন - ৭৮৪০০১

| | | |
|---|---|---|
| প্ৰকাশক | ঃ | সম্পাদক, অসমীয়া ক্লাৱ, তেজপুৰ<br>ৱাৰ্ড নং - ৫, পিন ঃ ৭৯৪০০১, |
| চন্দ্ৰবালা বৰুৱা | ঃ | চন্দ্ৰবালা বৰুৱা |
| লিখক | ঃ | ৰাজু বৰুৱা |
| প্ৰচ্ছদ | ঃ | কুমুদ বৰুৱা, তেজপুৰ |
| সম্পাদক | ঃ | ৰুবুল শৰ্ম্মা |
| সম্পাদনা সহযোগী | ঃ | হেমন্ত কুমাৰ লহকৰ |
| © | ঃ | অসমীয়া ক্লাৱ, তেজপুৰ |
| প্ৰথম প্ৰকাশ | ঃ | ৪ মে' ২০১৪ |
| বৰঙণি | ঃ | ২০.০০ টকা |
| ছপা | ঃ | টাইকল ষ্টাইল ট্ৰেক, কুমাৰ গাঁও, তেজপুৰ |

**Sonit Subash :** A Series of Books on the legendary persons of Tezpur, Sonitpur. Published by Asomiya Club, Tezpur, ward No - 5, PIN - 784001

# প্ৰকাশকৰ একাষাৰ

ইতিহাসক প্ৰগতিৰ দিশলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত কিছু বিশিষ্ট ব্যক্তিৰ বৰঙণি সদায়েই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে উঠি অহা ন-প্ৰজন্ম আমাৰ বুৰঞ্জীৰ শিপাৰ পৰা বিচ্ছিন্ন হোৱাৰ সংশয়ে দেখা দিছে। আনহাতে স্বনামধন্য, বৰেণ্য ব্যক্তিৰ ঐতিহাসিক সামাজিক ভূমিকা সম্পৰ্কে ন-প্ৰজন্মক অৱগত কৰোৱাৰ বিশেষ উদ্যোগ দেখা পোৱা নাযায়। এই ক্ষেত্ৰত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ ভূমিকাও আশাব্যঞ্জক নহয় আৰু পঢ়াশালিৰ পাঠ্যপুঠিতো বিশেষ গুৰুত্ব দিয়া নহয়।

শোণিতপুৰ বা তেজপুৰত এনে বহু ব্যক্তি আছে যি একোটা যুগত দেশ, জাতি, সমাজ-সংস্কৃতি তথা সাহিত্যৰ ক্ষেত্ৰত আপুৰুগীয়া অৱদান ৰাখি গৈছে আৰু আজিও চৰ্চিত হৈ আছে। কিছু ব্যক্তিয়ে জীৱনৰ অধিক সময়েই সমাজৰ হিতৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি গ'ল; অথচ তেওঁলোকৰ অৱদান বালিৰ তলৰ মুকুতা হৈ পৰি আছে। এনে সকলো ব্যক্তিৰ উজ্বল দিশসমূহৰ এক সম্যক পৰিচয় জনমানসৰ ওচৰত তুলি ধৰাৰ পুনৰ প্ৰয়োজন হৈছে। এই লক্ষ্যত ''অসমীয়া ক্লাৱ, তেজপুৰ''এ শোণিতপুৰ বিশেষকৈ তেজপুৰৰ বৰেণ্য ব্যক্তিৰ পৰিচয়মূলক এলানি পুথি প্ৰকাশৰ দিহা কৰিছে।

ই এক জটিল তথা দুৰূহ কাম, যদিও ক্লাৱে তেনে বিশিষ্ট ব্যক্তিৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। প্ৰথমে কোন কোন ব্যক্তিক প্ৰাধান্য দিয়া হ'ব ? ইয়াৰ উত্তৰত আমি ঠিক কৰিছো যে অসমীয়া ক্লাৱৰ সৈতে জড়িত হোৱা ব্যক্তিক প্ৰথমে আমি তুলি ধৰিম যদিও ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত ঠিয় হৈ আনসকলকো গুৰুত্ব দিয়া হ'ব। আনহাতে তেজপুৰৰ কিছু বৰেণ্য, বাটকটীয়া ব্যক্তি সমাজত তথা সমগ্ৰ অসমত বহুল চৰ্চিত হৈছে আৰু হৈ আছে; তেনে ব্যক্তিক সদ্যহতে আমি অন্তৰ্ভুক্ত কৰা নাই। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদি।

'অসমীয়া ক্লাৱে' অহা ২০১৫ চনত শতবৰ্ষ উদ্‌যাপন কৰিব। তেতিয়ালৈ কমেও ২০খন পুথি প্ৰকাশৰ লক্ষ্য লৈছে। পৰ্য্যায়ক্ৰমে পাঁচখনকৈ পুথি প্ৰকাশ কৰা হ'ব। 'শোণিত সুবাস' নামেৰে এই গ্ৰন্থমালাৰ নামাকৰণ কৰা হৈছে। আমি নিৰ্দ্দিষ্ট ব্যক্তিৰ পৰিয়ালৰ লোকৰ দ্বাৰা পুথি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছো যদিও আন লেখকৰ দ্বাৰাও এই প্ৰচেষ্টা চলোৱা হৈছে।

আমি বেটুপাতৰ প্ৰথম আৱৰণত অসমীয়া ক্লাৱৰ জন্মলগ্নত জড়িত থকা আৰু অসমীয়া ক্লাৱৰ আহুকালৰ সময়ত জড়িত প্ৰয়াত নমস্য ব্যক্তিৰ ছবি সন্নিবিষ্ট কৰিছো। পিছৰ আৱৰণতো একেই আধাৰ গ্ৰহণ কৰা হৈছে।

বিশিষ্ট ব্যক্তিৰ চমু পৰিচয়মূলক পুথি প্ৰণয়নৰ ওপৰতেই প্ৰধানকৈ জোৰ দিছো, সেয়েহে মূল্যায়ন বা ব্যাখ্যা কৰাৰ পৰা বিৰত আছো। লগতে নিৰ্দ্দিষ্ট ব্যক্তিৰ কোনো বিশেষণো আমি নামৰ সৈতে যুক্ত কৰা নাই; যদিও জনপ্ৰিয় উপাধিৰ সম্পৰ্কে লিখনিত প্ৰকাশ কৰাত কাৰ্পন্যও কৰা নাই। সৰু হাতপুথিৰ লেখিয়াকৈ প্ৰকাশৰ সিদ্ধান্ত লোৱাৰ বাবে আমি সম্পাদনাও কৰিবলগীয়া হৈছে। তাৰবাবে ক্লাৱে শ্ৰী ৰুবুল শৰ্মাক দায়িত্ব দিয়ে।

সম্পাদনাৰ ক্ষেত্ৰত লোৱা পদ্ধতি হ'ল, যি পুথিৰ পাণ্ডুলিপিৰ কলেৱৰ প্ৰয়োজনতকৈ দীঘল হৈছে তাক চমু কৰিবলৈ চেষ্টা কৰা হৈছে; যদিও লিখকৰ মূল কথা বা গুৰুত্বপূৰ্ণ তথ্য অক্ষত ৰখা হৈছে। একেদৰে চমু হোৱা পাণ্ডুলিপিৰ কলেৱৰ বঢ়োৱা হৈছে। যি সকল বৰেণ্য ব্যক্তি অসমীয়া ক্লাৱৰ সৈতে জড়িত আছিল, সেই সকলৰ ক্লাৱৰ সৈতে থকা সম্পৰ্ক তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

পাণ্ডুলিপি প্ৰস্তুত কৰা ব্যক্তিৰ একাংশ নিয়মীয়া লেখক নহয়। গতিকে আমি সাহিত্যতকৈ নিৰ্দ্দিষ্ট ব্যক্তিৰ ঐতিহাসিক, সামাজিক পৰিসৰত নিজস্ব অবদান, ত্যাগ তথা কৰ্মৰ ওপৰত বিশেষ গুৰুত্ব দিছো। বানান বিভ্ৰাত কমাবলৈ অশেষ চেষ্টা কৰা হৈছে যদিও সফলকাম হ'ব পাৰিছো বুলি দাবী কৰিব নোৱাৰো।

আমি প্ৰকাশিত পুথিৰ অৰিহণা নিৰ্দ্ধাৰণ কৰিছো তথাপিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা ব্যক্তিৰ বৰঙণিও আশা কৰিছো। যাতে ধাৰাবাহিক ভাবে এনে পুথি প্ৰকাশ কৰাত অসমীয়া ক্লাৱ আৰ্থিক দৈন্যত নপৰে।

যি সকলে লিখা প্ৰস্তুত কৰি দি ক্লাৱৰ এই মহান কামত সহায় কৰিলে, বেটুপাতৰ প্ৰচ্ছদ আঁকি শ্ৰদ্ধেয় কুমুদ বৰুৱাই যি সহায় কৰিলে, যি সকলে বিভিন্ন তথ্য সৰবৰাহ কৰি সহায়ৰ হাত আগবঢ়ালে সেই সকলোলৈকে অসমীয়া ক্লাৱে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে 'ট্ৰাইকল' প্ৰেছৰ সমূহ কৰ্মীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো।

অসমীয়া ক্লাৱৰ এই মহান উদ্যোগক আগুৱাই নিয়াৰ বাবে সকলোৰে সহায় সহযোগ আৰু দিহা পৰামৰ্শ কামনা কৰো।

**- অসমীয়া ক্লাৱ, তেজপুৰ**

কুৰি শতিকাৰ ত্ৰিশৰ দশকৰ আগভাগৰ পৰাই নাৰী সমাজক হাতে-কামে, মনে-প্ৰাণে সচেতন আৰু সংগঠিত কৰাৰ ক্ষেত্ৰত গুৰি ধৰোঁতাসকলৰ ভিতৰত চন্দ্ৰবালা বৰুৱা এটা গুৰুত্বপূৰ্ণ নাম। ব্যক্তি হিচাপে সকলো গুণৰ অধিকাৰী আৰু অসমৰ নাৰী আন্দোলনৰ সংগ্ৰামী নেত্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ প্ৰায় সমসাময়িক চন্দ্ৰবালা বৰুৱাই নাৰী সমাজক শিক্ষিত আৰু সংগঠিত কৰাৰ বাবে বহল তথা আধুনিক দৃষ্টিভংগীৰে নীৰৱে প্ৰচেষ্টা চলাই গ'ল। জীৱন সংগ্ৰামৰ সাগৰত বাৰে বাৰে হাবু ডুবু খাইও অবিচল থাকি ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনলৈ নীৰৱে সেৱা আগবঢ়াই গ'ল তেওঁ, সৃষ্টিৰ বাবে হাতত কলম তুলি ল'লে, সংস্কাৰমুখী দৃষ্টিভংগীৰে শিক্ষা প্ৰসাৰত গুৰুত্ব দিলে তেওঁ, কিন্তু সততেই নিজ কৰ্মৰাজিৰ প্ৰচাৰৰ পৰা আঁতৰত থকা চন্দ্ৰবালা বৰুৱাৰ কৰ্মস্পৃহা, জীৱন সংগ্ৰামত অটল ভূমিকা, মেধাৰ বিষয়ে আজিলৈকে যথাযোগ্য আলোচনা বিলোচনা হোৱা নাই। স্বাধীনতাৰ পূৰ্বে আৰু স্বাধীনোত্তৰ কালতো এইগৰাকী মহিলাই কৰি যোৱা কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰাই হ'ল আমাৰ এই লেখাৰ উদ্দেশ্য। আমি বিশ্বাস কৰো যে, বিশ্বায়ন, ব্যক্তিগতকৰণে মেধাক ক্ৰমাত আত্মমুখী কৰি তোলা নতুন প্ৰজন্মৰ সমুখত চন্দ্ৰবালা বৰুৱাৰ জীৱনবীক্ষাই এক চিন্তাৰ পৰিবেশ আনি দিবলৈ সমৰ্থ হ'ব আৰু সমাজৰ প্ৰতি দায়বদ্ধতা ভাবৰ উন্মেষ ঘটাবলৈ সক্ষম হ'ব।

**জীৱন পৰিক্ৰমা**

১৯০৭ চনত তেজপুৰৰ কলিবাৰীৰ ঐতিহ্যমণ্ডিত পটংগীয়া পৰিয়ালত চন্দ্ৰবালাৰ জন্ম হয়। চন্দ্ৰবালাই তিনিবছৰ বয়সতে মাতৃ মাহিন্দ্ৰী পটংগীয়াক হেৰুৱায় আৰু বৰমাক সুমিত্ৰা পটংগীয়াৰ স্নেহৰ ছায়াত ডাঙৰ দীঘল হয়। চন্দ্ৰবালাৰ পিতৃ সোণাৰাম পটংগীয়াৰ নটি সন্তানকে বৰমাকে চেনেহৰে বুকুত সাৱটি ডাঙৰ দীঘল কৰিছিল। এই গৰাকী স্নেহময়ী বৰমাককো চন্দ্ৰবালাই তেৰ বছৰ বয়সত হেৰুৱায়। সোণাৰাম পটংগীয়া সন্তানসকলৰ শিক্ষাৰ প্ৰতি সততে বৰ আগ্ৰহী আছিল। তেখেতৰ পুত্ৰ বোধনাথ পটংগীয়া তেজপুৰ অঞ্চলৰ প্ৰথম উকীল হোৱাৰ উপৰিও এজন সুদক্ষ অভিনেতা আৰু শিল্পী আছিল। যি কি নহওক, শিক্ষাব্ৰতী পিতৃ আৰু এইজন ককায়েক তথা আন এজন ককায়েক সোমনাথ পটংগীয়াৰ যত্ন, সহায় আৰু উদ্যোগত চন্দ্ৰবালাই



শিক্ষাজীৱন আৰম্ভ কৰে। তেজপুৰৰ টাউন হলত চন্দ্ৰবালাই শিক্ষাজীৱনৰ পাতনি মেলে। ইয়াৰ পাছত তেওঁ তেজপুৰ ছোৱালী এম. ভি. স্কুলত পঢ়ে। চন্দ্ৰবালাই সৰুৰে পৰা নিজা মেধা আৰু তীক্ষ্ণ বুদ্ধিৰ পৰিচয় দিছিল। অসম উপত্যকাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অনুষ্ঠিত মজলীয়া বৃত্তি পৰীক্ষাত বৃত্তি লাভ কৰোঁতা তিনিজনৰ ভিতৰত চন্দ্ৰবালাই প্ৰথম স্থান লাভ কৰি ৭ টকীয়া বৃত্তি পায়। উচ্চ শিক্ষাৰ প্ৰতি প্ৰবল ধাউতি থকা সত্বেও দুয়োজন ককায়েক কলাজ্বৰত আক্ৰান্ত হৈ মৃত্যু হোৱা ঘটনা, সৰুৰে পৰা বিভিন্ন ৰোগত আক্ৰান্ত হৈ থকা চন্দ্ৰবালাৰ ইচ্ছা পূৰণ নহ'ল।

ইয়াৰ পাছত চন্দ্ৰবালা নগাঁৱৰ মিছন স্কুলত ভৰ্তি হয়। বয়স কম হোৱাৰ বাবে প্ৰথমাৱস্থাত চন্দ্ৰবালাই মিছন স্কুলত চিট পোৱা নাছিল যদিও পাছত বয়স বঢ়াই লৈ, সেই সময়ৰ স্কুল ইন্সপেক্ট্ৰেছ মিছ গেৰেটৰ মধ্যস্থতাত মিছন স্কুলত শিক্ষা গ্ৰহণৰ সুবিধা লাভ কৰে। মিছন স্কুলৰ পৰা 'চিনিয়ৰ ট্ৰেইনিং' সুখ্যাতিৰে সমাপ্ত কৰি ১৯১৯ চনত মাত্ৰ তেৰ বছৰ বয়সত তেজপুৰ ছোৱালী এম ভি স্কুলত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ অধীনত তৃতীয় সহকাৰী শিক্ষয়িত্ৰী হিচাপে কামত যোগ দিয়ে। সেই সময়ত চন্দ্ৰপ্ৰভা শইকীয়ানী স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী আছিল।

১৯২০ চনত চন্দ্ৰবালা ক'লা জ্বৰত আক্ৰান্ত হয়। এই ৰোগে তেওঁক ১৯২৫ চনলৈকে লগ নেৰে। দেশজুৰি আৰম্ভ হোৱা অসহযোগ আন্দোলনৰ প্ৰভাৱ চন্দ্ৰবালাহঁতৰ পৰিয়ালতো নপৰাকৈ নাথাকিল। তেওঁৰ সৰু ককায়েক এজনে বৃটিছৰ তলতীয়া গোলামী স্কুলত পঢ়িবলৈ অমান্তি হৈ আধাতে পঢ়া সামৰিলে। চন্দ্ৰবালাৰ এই ৰোগাক্ৰান্ত সময়তে নগাঁৱৰ লক্ষীকান্ত বৰুৱাই ক'লাজ্বৰ উপশমকাৰী 'ব্ৰহ্মচাৰী' বেজীৰ সন্ধেদ দিয়াত পটংগীয়া পৰিয়াললৈ আশাৰ সঞ্চাৰ নামে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ মাতৃ কিৰণময়ী আগৰৱালাৰ আৰ্থিক সহযোগিতা, সহানুভূতি আৰু ডাঃ সুৰেন সেনৰ তৎপৰতাত ১৯২৫ চনত চন্দ্ৰবালাক 'ব্ৰহ্মচাৰী' বেজী দিয়া হয়। যি কি নহওক, চন্দ্ৰবালাৰ দেহৰ পৰা পাঁচবছৰীয়া ক'লাজ্বৰে ইয়াতে শাম কাটিলে। ক'লাজ্বৰৰ প্ৰকোপত তেওঁৰ মূৰৰ চুলি সৰি গৈছিল; কিন্তু তেনে অৱস্থাৰেই চন্দ্ৰবালাই ১৯২৬ চনৰ পৰা নিয়মিত স্কুল আৰম্ভ কৰে। চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে এই সময়তে চাকৰিৰ পৰা বিদায় লোৱাত সন্ধিৰাম শৰ্মা স্কুলৰ প্ৰধান শিক্ষক হয়।

১৯৩৬ চনত চন্দ্ৰবালা বৰুৱাই বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী পদত অধিষ্ঠিত হয় আৰু ১৯৬৭ চনৰ ১৫ আগষ্টলৈকে তেখেত এই পদত থাকি বিদ্যালয়ৰ সৰ্বাংগীন বিকাশৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাই গ'ল। ১৯২৬ চনৰ পৰা সুদীৰ্ঘ ৪১ বছৰ কাল চন্দ্ৰবালা বৰুৱাই বিদ্যালয়ৰ শিক্ষাদানকে আদি কৰি সামগ্ৰিকভাবে বিদ্যালয়ৰ পৰিচালনাৰ ক্ষেত্ৰত নতুন দিশা দিবলৈ সমৰ্থ হয়।

১৯২৮ চনৰ ১৫ জানুৱাৰীত তেজপুৰ মহিলা সমিতি গঠন হয়। এয়া যেন অসমৰ নাৰী সমাজৰ সাংগঠনিক ভেটি সুদৃঢ়কৰণৰ এক সবল ঢাপ।

১৯৩৬ চনত নগাঁৱৰ শিৱকান্ত বৰুৱাৰ সৈতে চন্দ্ৰবালা বিবাহপাশত আৱদ্ধ হয়। তেজপুৰৰ কাৰিকৰী প্ৰশিক্ষণ বিদ্যালয়ৰ প্ৰশিক্ষক শিৱকান্ত বৰুৱা পিছলৈ এই বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত বিষয়া হৈছিলগৈ। নিঃসন্তান বৰুৱা দম্পত্তিয়ে দুটি ল'ৰাক নিজ পুত্ৰ মৰ্যাদাৰে ডাঙৰ দীঘল কৰিছিল। নিজে সাধাৰণ জীৱন যাপন কৰিও এই সন্তান দুটিক পঢ়াই শুনাই উপযুক্ত কৰি গঢ়ি তুলিলে। সন্তান দুটিৰ চেনেহত ডুব গৈ থকা চন্দ্ৰবালাই কৈছিল, 'ইহঁত মোৰ ভগবানলৈ উচৰ্গা কৰা একোখন নৈবেদ্যৰ শৰাই।'

১৯৩১ চনত তেজপুৰত শিল্প মন্দিৰ স্থাপন হয়। চন্দ্ৰবালা বৰুৱা এই অনুষ্ঠানৰ লগত নিবিড়ভাবে জড়িত আছিল। এই অনুষ্ঠানৰ উদ্বোধনী সভাত চন্দ্ৰবালা বৰুৱাই সাৰগৰ্ভ বক্তৃতা দি জ্যোতিপ্ৰসাদ আগৰৱালাক মুগ্ধ কৰিছিল।

১৯২৮ চনৰ পৰা  ১৯৪১ চনলৈকে চন্দ্ৰবালা বৰুৱাই তেজপুৰ মহিলা সমিতিৰ সম্পাদিকাৰ দায়িত্বত আছিল।

১৯৮৩ চনৰ ২৪ জানুৱাৰীত চন্দ্ৰবালা বৰুৱাৰ মৃত্যু হয়।

**নাৰী আন্দোলন আৰু চন্দ্ৰবালা**

**(ক) ধাৰণা ঃ** ১৯১৯ চনত চন্দ্ৰবালা বৰুৱাই সংগ্ৰামী নাৰী নেত্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ অধীনত কুৰি টকা দৰমহাত শিক্ষয়িত্ৰী হিচাপে স্কুলত যোগ দিয়ে। চন্দ্ৰবালা বৰুৱাই ডায়েৰীত লিখি যোৱা কথাৰ পৰা সেই সময়ৰ নাৰীৰ অৱস্থাৰ বিষয়ে গম পোৱা যায়। '----৮ মাহ চাকৰি কৰাৰ পিছতহে মই পুষ্পিতা হ'লো। পুষ্পিতা হোৱাৰ পিছৰ পৰা দেউতাই মোক যাবৰ কাৰণে এখন হেকনি গাড়ী (ঘোঁৰা গাড়ী)বন্দোবস্ত কৰি দিলে যাতে মই ঘৰৰ সন্মান



ৰক্ষা কৰি স্কুললৈ অহা যোৱা কৰিব পাৰো। তেতিয়ালৈকে মোৰ স্বমত বুলি কোনো মতামত দিবৰ অধিকাৰ ভাব জন্মা নাছিল। দেউতাৰ কথা মতেই মই স্কুললৈ গাড়ীত যাওঁ আৰু যথা সময়ত ঘূৰি আহোঁ। শ্ৰীচন্দ্ৰপ্ৰভা দাস হেডমিষ্ট্ৰেছে মোক পৰ্দা প্ৰথা মানি গাড়ীত যোৱাৰ বিপৰীতে মোক স্বাধীন মতেৰে খোজকাঢ়ি যাবলৈ উৎসাহিত কৰে। পুনঃ পুনঃ উৎসাহ দিয়াত ময়ো উৎসাহিত হৈ এবছৰৰ মূৰত কৰিলো। প্ৰথম দিনা উক্ত দাসেই মোক পুনৰ স্কুলৰ পৰা আনিবলৈ গাড়ী পলমে যোৱাৰ অজুহাত দেখুৱাই মোক নিজে লগত লৈ খোজ কাঢ়ি স্কুলৰ পৰা আমাৰ ঘৰলৈ লগত লৈ আহে আৰু দেউতাৰ লগত নানা তৰ্ক কৰি মোক খোজ কাঢ়ি স্কুললৈ যোৱাৰ অনুমতি আদায় কৰে।'

চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নাৰীৰ মৰ্যাদা আৰু অধিকাৰ সম্বন্ধে থকা সচেতনতা আৰু এই ঘটনাই চন্দ্ৰবালা বৰুৱাৰ মনতো নাৰীৰ অস্তিত্ব চিন্তাৰ উদ্ৰেক কৰিছিল বুলি ক'ব পাৰি। বহু গাঁৱলীয়া মানুহৰ ঘৰত বোৱাৰীসকলৰ দুৰ্গতি দেখি চন্দ্ৰবালা বিয়াৰ প্ৰতি বীতশ্ৰদ্ধ হৈ পৰিছিল আৰু প্ৰথম ছোৱাত বিয়াত বহিবলৈ আপত্তি দেখুৱাইছিল। শিক্ষয়িত্ৰী হিচাবে চাকৰিত যোগদান আৰু ছাত্ৰী শিক্ষাৰ দায়িত্ব গ্ৰহণৰ মাজেদি সামগ্ৰিক নাৰীৰ শিক্ষা প্ৰসাৰ আৰু আৰ্থিক স্বাৱলম্বিতাৰ জৰিয়তে নাৰীক আত্মনিৰ্ভৰশীল কৰি তোলাৰ বিষয়বোৰে চন্দ্ৰবালাৰ মনত গা কৰে। চন্দ্ৰবালাৰ নিজৰ ভাষাৰেই - 'ওচৰচুবুৰীয়া ছোৱালীবোৰৰ মোৰ ঘৰখন আছিল এখন স্কুল সদৃশ। তেওঁলোকে দিনটো মোৰ ঘৰত পঢ়া আৰু চিলাই আদি শিকিছিলহি। অম্বিকা, পুতুলী, কুসুমহঁতক সন্ধ্যা কোনোবাই আহিহে বিচাৰি নিছিলহি মোৰ ঘৰৰ পৰা। এনেকৈয়ে মোৰ মনত শিকোৱাত আনন্দ লাভ কৰাৰ অভ্যাস হয়।' নাৰীৰ শিক্ষা প্ৰসাৰ, স্বাৱলম্বীকৰণ আৰু নাৰীসকলক গোটপিত খুৱাই একেলগে উদ্যোগ গ্ৰহণৰ প্ৰবণতাই চন্দ্ৰবালাক হয়তো মহিলা সমিতি গঠনৰ দিশে ঠেলি দিছিল।

নাৰীৰ শিক্ষাহীনতাই পশ্চাদপদ অৱস্থাৰ অন্যতম কাৰণ হিচাবে তেখেতে ভাবিছিল আৰু শিক্ষা বাধ্যতামূলক কৰাৰ সপক্ষে আছিল। আজি নাৰীৰ বাবে সংসদ আৰু বিধানসভাত শতকৰা ৩৩ ভাগ আসন সংৰক্ষণৰ বিধেয়কখন গৃহীতকৰণৰ দাবী উত্তপ্ত ৰূপত আছে। চন্দ্ৰবালাই আজিৰ পৰা

প্ৰায় পঞ্চাশ বছৰৰ আগতে নাৰীয়ে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশ লোৱাৰ বাবেই ৰাজনৈতিক আৰু প্ৰশাসনিক কাম-কাজত যুক্ত হোৱাটো বিচাৰিছিল। চিকিৎসাক্ষেত্ৰ আৰু শিক্ষাক্ষেত্ৰৰ বাহিৰেও আন সকলো কৰ্ম ক্ষেত্ৰতে নাৰীৰ অংশগ্ৰহণৰ যোগ্যতা থকাটো চন্দ্ৰবালাই মনে প্ৰাণে উপলব্ধি কৰিছিল আৰু স্বকীয় প্ৰতিভাৰে উদ্ভাসিত হৈ উঠাৰ বাবে ক্ষেত্ৰ তৈয়াৰ কৰাৰ প্ৰতি উৎসাহী আছিল। বিশিষ্ট সমাজকৰ্মী তথা ১৯৪৭ চনৰ পৰা ২০০৪ চনলৈকে তেজপুৰ মহিলা সমিতিৰ সৈতে জড়িত মীনা আগৰৱালাই 'মহাত্মা গান্ধীৰ অছি বেটী চন্দ্ৰবালা বৰুৱা' শীৰ্ষক লেখাত কৈছে- 'তেজপুৰ মহিলা সমিতিৰ বছেৰেকীয়া সভাবিলাকৰ প্ৰস্তাৱ গ্ৰহণৰ যোগেদিও তেখেতৰ আধুনিক প্ৰগতিশীল বিপ্লৱী মনৰ আভাস পোৱা যায়। সময়তকৈ বহু আগতেই তেখেতে মহিলাৰ উন্নতিৰ অন্তৰায় সমূহৰ কাৰণবোৰ চিনাক্ত কৰিব পাৰিছিল।'

আজি বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ দ্ৰুতবিকাশ আৰু বিশ্বায়নে নাৰী সমাজক স্বাৱলম্বনৰ বিভিন্ন কৰ্মক্ষেত্ৰ দেখুৱাই দিছে। অধিকাৰ আৰু আত্ম মৰ্যাদাৰ প্ৰশ্নত নাৰী সমাজ সচেতন হৈছে। কিন্তু আজিৰ পৰা এশ বছৰৰো আগতে জন্ম লাভ কৰা এই গৰাকী মহিলাই কৈশোৰ পাৰ হওঁ কি নৌহওঁতেই নাৰী হিচাপে নিজক চিনি পাইছিল- এইয়া আছিল তেওঁৰ নাৰীবাদী চেতনাৰ ফেঁহুজালি।

বিজ্ঞানসন্মতভাৱে ফলমূলৰ উৎপাদন, কৃষি কাম-কাজ আদি স্বহস্তে কৰা তথা কোট পেন্ট পিন্ধি মৌ উৎপাদনৰ কামত জড়িত হোৱা বিষয়বোৰে পুৰুষ প্ৰধান ব্যৱস্থাৰ সেই সময়ত নাৰীৰ ওপৰত ন্যস্ত ৰক্ষণশীলতাক আঘাত কৰিছিল। এই কামকাজসমূহে চন্দ্ৰবালাৰ ব্যক্তি চেতনাৰ উন্মেষৰ পৰিচয় দাঙি ধৰে।

**খ) সাংগঠনিক উদ্যোগ ঃ** 'শেষত এই অভ্যাসবোৰেই মহিলা সকলৰ মাজত সমাজ এখন স্থাপন কৰাৰ ভাৱৰ উৎপন্ন হয়' (চন্দ্ৰবালা, ডায়েৰী) ১৯২৮ চনৰ ১৫ জানুৱাৰীত চন্দ্ৰবালা বৰুৱাৰ উদ্যোগত তেজপুৰ মহিলা সমিতি গঠন হয়। পৰ্দা প্ৰথা, পুৰুষ প্ৰধান ৰক্ষণশীল সমাজে নাৰীৰ ওপৰত তৰি দিয়া হাক বচন, নীতি-নিয়মৰ দেওনা পাৰ হৈ নিজৰ দাবীত, নিজৰ প্ৰয়োজনত নাৰী সমাজ সংগঠিত হোৱাৰ এই প্ৰক্ৰিয়াই বাস্তৱিকতে নাৰী আন্দোলনৰ পথত খোজ নিশ্চিত কৰিলে।



'---১৯২৮ চনৰ ১ লা মাঘত তেজপুৰ মহিলা সমিতি স্থাপন কৰো। ---- ১ লা মাঘৰ দিনা বৰদা বাইদেউ, মই আৰু স্বৰ্ণলতা দেবী গৈ শ্ৰীযুত কালীচৰণ ভট্টাচাৰ্যৰ চ'ৰা ঘৰত আমি কঠ পাৰি বহি মূঢ়া এটাত শ্ৰীযুত ভট্টাচাৰ্যৰ মাক মহেশ্বৰী দেবী ভট্টাচাৰ্যক বহুৱাই সভানেত্ৰী পাতি সভাৰ বিষয়ে আলচ আৰম্ভ কৰিলো ---- উপস্থিত ১৫/১৬ গৰাকী মহিলাই ঁবৰদা বাইদেউ আৰু মোক সম্পাদিকা নিৰ্বাচন কৰিলে। সভাত বয়োবৃদ্ধা মহেশ্বৰী দেবীক স্থায়ী সভানেত্ৰী আৰু শ্ৰীযুতা স্বৰ্ণলতা বৰুৱাক ধন ভঁৰালী পাতি সভাৰ কাৰণে ধন সংগ্ৰহ কৰিবলৈ স্থিৰ কৰা হ'ল। মই ঘৰত এখন সভাৰ নিয়মাৱলী ৰচনা কৰি ঁপদ্মনাথ গোহাই বৰুৱাক দেখুৱাই আনি সেই নিয়মাৱলী মতে মাহত এবাৰকৈ সমিতি বহুৱাই হিচাব পত্ৰ, কাম-কাজৰ বিৱৰণী সভাত বুজাই দিবলৈ ধৰিলো----'

অসম প্ৰাদেশিক মহিলা সমিতিৰ পঞ্চাশতম বাৰ্ষিক অধিবেশন ১৯৭৫ তেজপুৰৰ পদ্মা আগৰৱালা আৰু মীৰা কাকতিৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'তেজপুৰ মহিলা সমিতিৰ কাৰ্যাৱলীৰ চমু আভাস' শীৰ্ষক লেখাত পোৱা যায় যে স্বাধীনতা আন্দোলনত নাৰী সমাজে গ্ৰহণ কৰিব লগা ভূমিকাৰ প্ৰয়োজনত ১৯২১ চনত মহাত্মা গান্ধী প্ৰথমবাৰ তেজপুৰলৈ আহোতে তেখেতৰ লগত অহা 'শ্ৰীমতী আলি'ৰ আহ্বানত তেজপুৰত প্ৰথম মহিলা সমিতি স্থাপন হয়। কুঞ্জলতা দেবীৰ সভানেত্ৰীত্বত অনুষ্ঠিত সভাখনিত মহিলা সমিতিৰ জন্মদাত্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানী, কিৰণময়ী আগৰৱালাই সহযোগ কৰিছিল। কিন্তু সমিতিৰ গুৰিয়াল চন্দ্ৰপ্ৰভা শইকীয়ানী স্বাধীনতা আন্দোলনৰ কামত আঁতৰি থাকিবলগা হোৱাত তেজপুৰ মহিলা সমিতি নিষ্ক্ৰিয় হৈ পৰে। এই সমিতিয়ে খাদী উৎপন্ন, বিদেশী বস্তু বৰ্জন, সভা-সমিতি অনুষ্ঠিত কৰি নাৰীৰ দাবী উত্থাপন কৰা আদি কামৰ মাজেদি নাৰী সমাজৰ মাজত আত্মবিশ্বাস গঢ়ি তুলিবলৈ সক্ষম হৈছিল।

এই একে লেখাতে তেজপুৰ মহিলা সমিতিৰ কাৰ্যাৱলী যি তিনিটা পৰ্যায়ত ভাগ কৰা হৈছে, তাত প্ৰথম পৰ্যায়ৰ আৰম্ভণী বৰ্ষ ১৯২৮ উল্লেখ কৰা হৈছে। এই দিশৰ পৰা ১৯২১ চনত তেজপুৰ মহিলা সমিতিৰ মুকলিত হোৱা বীজে ১৯২৮ চনত কুঁহি মেলিছিল বুলি ক'ব পাৰি। সংবিধান প্ৰস্তুত কৰাৰে পৰা আৰম্ভ কৰি সমিতিক প্ৰাণৱন্ত ৰূপত গঢ়ি তুলিবলৈ অক্লান্ত শ্ৰম

আগবঢ়োৱা নাৰী গৰাকী আছিল চন্দ্ৰবালা বৰুৱা। ১৯৭৬ চনত তেজপুৰ মহিলা সমিতিৰ সভ্যাবৃন্দই চন্দ্ৰবালা বৰুৱাক সম্বৰ্দ্ধনা জনায়; তেখেত এই সময়ছোৱালৈকে সমিতিৰ সভানেত্ৰীৰ পদ অলংকৃত কৰিছিল। এই সম্বৰ্দ্ধনা পত্ৰত সভ্যাবৃন্দই চন্দ্ৰবালা বৰুৱাক 'সমিতিৰ জন্মদাত্ৰী, প্ৰাণস্বৰূপিনী' বুলি আখ্যা দিয়ে। ইয়াত আৰু কোৱা হয় যে, ' --- জাতিৰ পিতা গান্ধীজীৰ আহ্বানত সঁহাৰি দি ঘৰুৱা বাধা বিঘিনি নেওচি শিক্ষকতাৰ দৰে মহান দায়িত্ব পালন কৰাৰ উপৰিও গঠনমূলক কামক আদৰ্শ স্বৰূপে লৈ তেজপুৰ মহিলা সমিতিত আপুনি যি ভেটি স্থাপন কৰিলে, সেয়েই আপোনাক চিৰদিন অমৰ কৰি ৰাখিব।'

১৯৩১ চনত সমিতিৰ শিল্প মন্দিৰ উদ্বোধন কৰা হয়। পৰমানন্দ আগৰৱালাদেৱে ঘৰৰ পিছফালে (বৰ্তমান জোনাকী হল) থকা এটি পকী ঘৰ মহিলা সমিতিক ব্যৱহাৰ কৰিবলৈ দিয়াত তাতে শিল্প মন্দিৰৰ কাৰ্যালয় পতা হয়। তেজপুৰ মহিলা সমিতিৰ প্ৰথম সম্পাদিকা (যুটীয়া) বৰদা দত্তৰ স্মৃতিত 'বৰদা লাইব্ৰেৰী' স্থাপনৰ ক্ষেত্ৰতো চন্দ্ৰবালা বৰুৱাই উদ্যোগ গ্ৰহণ কৰিছিল। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোঁহাঞি বৰুৱা আদি বিখ্যাত লোকৰ পৰা কিতাপ সংগ্ৰহ কৰি মুঠ পাঁচশ কিতাপ 'বৰদা লাইব্ৰেৰী'ত সংগৃহীত কৰা হৈছিল। খাদী উৎপন্ন, হাতে বোৱা কাপোৰ, চিলাই, নেওঠনীৰ কাম আদিও ইয়াত আৰম্ভ কৰা হৈছিল। চন্দ্ৰবালা বৰুৱাৰ ভাষাৰে - "--- শিল্প মন্দিৰ স্থাপনৰ দিনা আনন্দ চন্দ্ৰ আগৰৱালাৰ সভাপতিত্বত সভা বহিছিল। জ্যোতিপ্ৰসাদ আগৰৱালাই মোক বক্তৃতা দিবলৈ উৎসাহিত কৰি কৈছিল- 'তুমি যি ভাবা, তাকে ভয় নকৰি কৈ যাবা, সেয়ে বক্তৃতা।' সেইমতে মই সেই সভাত বক্তৃতা দিছিলো। শুনা মানুহে বৰ ভাল হৈছিল বুলি কৈছিল। জ্যোতিপ্ৰসাদে কৈছিল, তুমি ইমান সাৰুৱা কথাৰে বক্তৃতা দিব পাৰিবা বুলি মই আগতে ভবা নাছিলো। কাৰণ ইতিপূৰ্বে তোমাৰ বক্তৃতা মই শুনা নাছিলো।"

সমিতিৰ ভেটি শক্তিশালী কৰাৰ লক্ষ্যত চন্দ্ৰবালা বৰুৱাই অন্যান্য কিছুমান কামো সক্ৰিয় অংশ লৈ নাৰী সমাজক উদ্যমী কৰিছিল। বছৰি জয়মতী উৎসৱ নিজে উদ্যোগ লৈ উদযাপন কৰিছিল, য'ত ছাত্ৰীসকলক, মহিলাসকলক অভিনয়, আবৃত্তি, গীত-মাত আদি নিজে শিকাই প্ৰদৰ্শন



কৰোৱাই দৃষ্টান্ত দাঙি ধৰিছিল। মহিলা সমিতিৰ লগতে ঊষা ছাত্ৰ সভা নামেৰে চেমনীয়াসকলকো সংগঠিত কৰি জয়মতী উৎসৱত অংশগ্ৰহণ কৰোৱাইছিল। সৈনিক শিল্পী বিষ্ণু প্ৰসাদ ৰাভাইও দৃশ্যাবৃত্তি, সংগীতেৰে সমাৰোহৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। ১৯২৯, আৰু ১৯৩৪ চনৰ প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত ৰাইজৰ সাহায্যাৰ্থে মহিলা সমিতিৰ তৰফৰ পৰা সংগঠিতভাবে অৰ্থ সংগ্ৰহ কৰি পীড়িতলোকলৈ আগবঢ়াইছিল।

**(গ) মানসিক সংঘাতত চন্দ্ৰবালা ঃ** নাৰী সমাজক সাংগঠনিকভাবে ঐক্যবদ্ধ কৰা, সাংস্কৃতিকগতভাবে উৎকৰ্ষ সাধন কৰা, স্বাৱলম্বনৰ ক্ষেত্ৰত হস্ত কৰ্মৰে নাৰীসকলক পাকৈত কৰি তোলা, মহিলা সমিতিত সম্পাদিকা হিচাবে, সভানেত্ৰী হিচাবে দায়িত্বভাৰ গ্ৰহণেৰে দায়বদ্ধতাৰ নিদৰ্শন দাঙি ধৰা, অৱসৰ গ্ৰহণৰ পাছতো তেজপুৰ মহিলা সমিতিৰ সৰ্বাংগীন বিকাশৰ চিন্তা মনে প্ৰাণে সজীৱ কৰি ৰখা চন্দ্ৰবালা বৰুৱাৰ মনলৈ শেষৰ ফালে কোনো বিষয়লৈ নিশ্চয় সংঘাত আহিছিল। 'পিছৰ জীৱনত তেখেত হয়তো বৰ হতাশাগ্ৰস্ততাত ভূগিছিল। নিজৰ বহুত লেখা কাগজ পুৰি পেলাইছিল। অসম প্ৰাদেশিক মহিলা সমিতিয়ে তেখেতক সম্বৰ্দ্ধনা জনোৱাৰ উদ্দেশ্যে নিমন্ত্ৰণ কৰিলতো তেখেত যোৱা নাছিল।' অণিমা দেৱী, লেখিকাৰ জীৱনী।

১৯৭৫ চনত অসম প্ৰাদেশিক মহিলা সমিতিৰ পঞ্চাশতম বাৰ্ষিক অধিবেশনখনি তেজপুৰত অনুষ্ঠিত হয়। সেইসময়ত চন্দ্ৰবালা বৰুৱা তেজপুৰ মহিলা সমিতিৰ সভানেত্ৰী আছিল। উল্লিখিত বাৰ্ষিক অধিবেশনত সম্বৰ্দ্ধনা জনোৱাৰ উদ্দেশ্যে নিমন্ত্ৰণ জনোৱাৰ পাছতো তেখেত উপস্থিত নহ'ল। ১৯৭৬ চনত তেজপুৰ মহিলা সমিতিৰ সভ্যাবৃন্দই তেখেতক সম্বৰ্দ্ধনা জনায়- চন্দ্ৰবালা বৰুৱাই সেই সম্বৰ্দ্ধনা গ্ৰহণ কৰিছিল।

আজীৱন পাৰিবাৰিকভাবে, অৰ্থনৈতিকভাবে সংগ্ৰাম কৰি অহা চন্দ্ৰবালা বৰুৱাই এই সময়ত হয়তো কিছু সকাহ বিচাৰিছিল, কিন্তু পোৱা নাছিল, এই অৱস্থাই তেখেতক হয়তো ক্ষোভিত কৰিছিল।

স্বাধীনতা সংগ্ৰামত পুৰুষৰ সমানে বীৰত্বপূৰ্ণভাবে অংশগ্ৰহণ কৰা আৰু স্বাৱলম্বনৰ বাবে সকলো কৰ্মক্ষেত্ৰকে সাৰটি ল'বলৈ সাহস-সামৰ্থ্য দেখুওৱা নাৰী সমাজ পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত নিৰ্যাতনৰ বলি হোৱা, দেশ-সমাজৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণৰ সুযোগ নোপোৱা আদি

বিষয়বোৰে চন্দ্ৰবালা বৰুৱাৰ সচেতন চিন্তা মানসত নিশ্চয় ক্ৰিয়া কৰিছিল যিয়ে নেকি মহিলা সমিতিক নাৰীৰ অধিকাৰ, মৰ্যাদা অৰ্জনৰ ন ন কাৰ্যসূচীৰে আগুৱাই লৈ যোৱাৰ পৰিকল্পনাই তেখেতৰ মনত উক দিছিল, কিন্তু সফল হোৱা নাছিল ! এনে অৱস্থাইও তেখেতক মানসিক সংঘাত দিব পাৰে। '৪০ ৰ দশকতে চন্দ্ৰবালা বৰুৱাই নাৰীবাদী চিন্তা ধাৰাক নেতৃত্ব দিছিল----' ( মিনা আগৰৱালা, স্মৃতিগ্ৰন্থ অ প্ৰা ম স, ২০০৭ ) । এই বিষয়ত নিশ্চয় বহল আলোচনাৰ থল আছে।

**স্বাধীনতা আন্দোলনত চন্দ্ৰবালা**

তেজপুৰ মহিলা সমিতিৰ বীজ অংকুৰিত হৈছিল ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত নাৰী সমাজে অংশগ্ৰহণ কৰিব পৰা সম্ভাৱনীয়তাৰ গইনাইদি। এই সময় হ'ল ১৯২১ চনত মহাত্মা গান্ধী প্ৰথমবাৰ তেজপুৰলৈ অহাৰ সময়। ১৯২৮ চনত তেজপুৰ মহিলা সমিতিৰ কাৰ্যকালৰ প্ৰথম বৰ্ষ আৰম্ভ হয়।চন্দ্ৰবালা বৰুৱাই ১৯১৯ চনত তেজপুৰ মজলীয়া স্কুলত শিক্ষয়িত্ৰী হিচাবে যোগদান কৰিছিল আৰু পাঁচ বছৰ ধৰি কলাজ্বৰত আক্ৰান্ত হোৱাৰ পাছত ১৯২৬ চনত পুনৰ স্কুলত যোগদান কৰে। দেশত স্বাধীনতা আন্দোলনৰ পয়োভৰ। চন্দ্ৰবালাৰ হৃদয়ত পৰাধীনতাৰ অগনিয়ে দহিছিল, স্বদেশ প্ৰেমৰ জুই উমি উমি জ্বলিছিল। চন্দ্ৰবালা বৰুৱাই নীৰৱ কৰ্মী হিচাবে স্বাধীনতা আন্দোলনলৈ অৰ্ঘ্য আগবঢ়াই গ'ল। শিক্ষয়িত্ৰী হিচাবে বিদ্যালয়ৰ পৰিমণ্ডলত থাকি চন্দ্ৰবালাই ছাত্ৰীসকলৰ অন্তৰত স্বদেশ প্ৰেমৰ চিন্তাৰ উন্মেষ ঘটাবলৈ সমৰ্থ হৈছিল। এই সকলৰ ভিতৰত স্বৰ্ণপ্ৰভা মহন্ত, মিনা আগৰৱালা, বিমল ভাগৱতী, পাৰুল দাস, ৰেৱতী দাস, প্ৰমীলা বৰুৱা, হেমলতা বৰুৱা অন্যতম। শিক্ষাদান, গীতে-মাতে, কবিতা আবৃত্তিৰ জৰিয়তে চন্দ্ৰবালাই ছাত্ৰীসকলক উজ্জীৱিত কৰি তুলিবলৈ সক্ষম হৈছিল।

১৯৩১ চনত 'শিল্প মন্দিৰ' উদ্বোধন বৰ্ষতো সমিতিৰ সম্পাদিকাৰ দায়িত্বত আছিল চন্দ্ৰবালা বৰুৱা। এই দিনাখন তেখেতে এক বিৰাট শোভাযাত্ৰাৰ আগভাগ লৈছিল। পংকজ কাকতিক ভাৰতমাতাৰ সাজ পিন্ধাই সেই ভংগিমাৰে হাতত যঁতৰ লৈ মহিলাসকলে সমদলত ভাগ লৈছিল। কণ্ঠত আছিল 'বন্দেমাতৰম', 'ভাৰত মাতা কি জয়', 'মহাত্মা গান্ধী কি জয়'। নগৰ পৰিভ্ৰমণ কৰি আহি পুনৰ সমবেত হৈ শিল্প মন্দিৰৰ উদ্বোধনী সভাত ভাগ



লৈছিলহি। এই শোভাযাত্ৰাই স্বাধীনতা পিয়াসী ৰাইজৰ মনত ৰেখাপাত কৰিবলৈ সমৰ্থ হৈছিল।

১৯৩৪ চনত মহাত্মা গান্ধী দ্বিতীয়বাৰৰ বাবে তেজপুৰলৈ আঁহোতে ১৮ মাৰ্চ তাৰিখে শিল্প মন্দিৰত পদাৰ্পণ কৰি আশীষ প্ৰদান কৰে। চন্দ্ৰবালা বৰুৱাৰ নেতৃত্বত তেজপুৰ মহিলা সমিতিয়ে মহাত্মা গান্ধীৰ হাতত হৰিজন পুঁজিলৈ এশ এটকাৰ বৰঙণি আগবঢ়ায়। মহিলা সমিতিৰ অনুৰোধত এই অনুষ্ঠানতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ মাতৃ কিৰণময়ী আগৰৱালাৰ এক প্ৰতিচ্ছৱি মহাত্মা গান্ধীয়ে উন্মোচন কৰে। চন্দ্ৰবালা বৰুৱাৰ উদ্যোগত মহিলাসকলে বৰগীত পৰিবেশন কৰে আৰু সূতা কটে। চন্দ্ৰবালাৰ কামত মুগ্ধ হৈ মহাত্মা গান্ধীয়ে পিঠিত মৰমেৰে 'অচ্ছি বেটি' বুলি কৈ শলাগ লয়। চন্দ্ৰবালা বৰুৱাৰ অন্য এক প্ৰতিভা আছিল লেখনি প্ৰকাশ। স্বাধীনতা আন্দোলনৰ সূচীত অসমলৈ, তেজপুৰলৈ অহা বিভিন্ন ব্যক্তি, স্বাধীনতা সেনানীৰ অভিনন্দন পত্ৰসমূহৰ লেখক আছিল চন্দ্ৰবালা বৰুৱা। মহাত্মা গান্ধী, বিষ্ণুৰাম মেধি, আচাৰ্য কৃপালিনী, পুষ্পলতা দাস আদি ব্যক্তিসকললৈ আগবঢ়োৱা অভিনন্দন পত্ৰসমূহো চন্দ্ৰবালা বৰুৱাই লিখিছিল। চন্দ্ৰবালাৰ জীৱনত হয়তো জেল খটাৰ সুযোগ নিমিলিল কিন্তু শিক্ষকতাৰ মহান বৃত্তিত নিমজ্জিত হৈ ছাত্ৰী গঢ়াৰ পণ লৈ নীৰৱে পৰাধীনতাৰ শৃংখলমোচনৰ অৰ্থে কাম কৰি গ'ল। চন্দ্ৰবালাৰ স্বাধীনতা স্পৃহা, স্বাধীনতা সংগ্ৰামলৈ নীৰৱ সেৱাই প্ৰচাৰৰ সীমা হয়তো নুচুব পাৰে, কিন্তু তেখেতৰ দেশৰ প্ৰতি এই নিষ্ঠা ৰাইজৰ মানসত সোঁৱৰণি হৈ ৰৈছে আৰু ৰ'ব।

**সাহিত্য কৰ্মত চন্দ্ৰবালাৰ চিন্তা**

নাৰী সংগঠন, নাৰী শিক্ষাৰ সৈতে জীৱনৰ সোণালী সময়খিনি আগবঢ়াই দিয়া চন্দ্ৰবালা বৰুৱাৰ সাহিত্য কৰ্ম, চৰ্চাৰ উপজীব্য আছিল জড়িত হৈ থকা সমাজখনেই। নাৰী আৰু শিশু কেন্দ্ৰিক বিষয়বস্তুবোৰেই তেখেতৰ লেখাসমূহত প্ৰধানকৈ ঠাই পাইছিল। ছাত্ৰী তথা শিক্ষয়িত্ৰী জীৱন একাকাৰ হৈ থকা চন্দ্ৰবালাই সৰুৰে পৰাই কলম হাতত তুলি লৈছিল। সেই সময়ৰ আৱাহন, ঘৰজেউতি আদি আলোচনীত তেখেতৰ লেখনি প্ৰকাশ পাইছিল। পিছৰ জীৱনত হতাশাগ্ৰস্ত হৈ তেখেতে নিজৰ বহু লেখা নষ্ট কৰি পেলালেও ৰৈ যোৱা লেখাখিনিৰ মূল্য আৰু পৰিমাণ বৰ কম নহয়। চন্দ্ৰবালা বৰুৱাৰ

গোট গোট আখৰেৰে লিখা বহু লেখা কিছু প্ৰকাশিত, কিছুমান অপ্ৰকাশিত পুৰণি বহী, ডায়েৰীত আজিও স্পষ্ট ৰূপত আছে। নিজ মাতৃ ভাষাৰ প্ৰেমত উদ্বাউল হৈ তেখেতে লিখিছিল-

চেনেহী মোৰ মাতৃ ভাষা
তুমি যে বুকুৰ পানী
তুমি মধু মন্দাকিনী।
শিকালা মোক কিমান কথা
বুজালা মোৰ প্ৰাণৰ ব্যথা
কিহেদি আই পূজিম তোমাক
সম্বল মাথো চকুৰ পানী-----।

-ভাষাৰ প্ৰেমত আকুল হৈ পৰা চন্দ্ৰবালাই শিশুসকলৰ মনৰ ভিতৰলৈকো জুমি চাই জ্যোতি দেখা পাই মাতৃভূমিৰ মান উজলাই উঠোৱাৰ বাবে আহ্বান জনাইছিল-

ঘৰে ঘৰে শিক্ষা জ্যোতি
কোমল প্ৰাণত উঠক ফুটি
লোৱা সুবিমল প্ৰেম পৰিমল
শিক্ষাক আচল পাতি
উজলি উঠক প্ৰতিটো প্ৰাণত
অসম জ্যোতিৰ দ্যুতি
প্ৰকৃত শিক্ষাৰ জ্যোতি
অসমীৰ মান অসমীৰ ধ্যান
সেয়েই তোমাৰ জনমৰ জ্ঞান
পৃথকে নাই তোমাৰ সন্মান
নিবিচাৰোঁ বিনে কোনো আন !

শিশুৰ উদ্দেশ্যে 'অসম জ্যোতি' লৈ এনেদৰে লিখিছিল চন্দ্ৰবালাই। অসমেই যেন কবিৰ মান, জ্ঞান আৰু ধ্যান।

'ঘৰজেউতি' আৰু 'আৱাহন'ত চন্দ্ৰবালা বৰুৱাৰ কেইবাটাও গল্প প্ৰকাশ পাইছিল। সেইবিলাকৰ ভিতৰত 'আত্মনিৰ্ভৰশীলতা' (ঘৰজেউতি, ২য় বছৰ ৬ষ্ঠ সংখ্যা), 'কমলা' (ঐ, ২য় বছৰ, ৯ম সংখ্যা), পৰকালত (আবাহন),



বান্দীৰ জীয়েক (আবাহন, ৪ৰ্থ বছৰ, ৭ম সংখ্যা), মায়া নে মতিভ্ৰম' (আবাহন, ৫ম বছৰ, ৩য় সংখ্যা), ভোটৰ উপদ্ৰৱ (আবাহন, ৫ বছৰ ৫ম সংখ্যা) আদি। শেষ অবলম্বন, চীনাৰ চোকা নখৰ আঁচোৰ (৬২ চনৰ স্মৃতিৰে), বহ্বাৰম্ভে লঘুক্ৰিয়া আদি তেখেতৰ অন্য কেইটামান উল্লেখযোগ্য লেখা। উল্লেখনীয় যে, চন্দ্ৰবালা বৰুৱাই 'অলকা পটংগীয়া নামেৰে 'ঘৰ জেউতি' ত কেইবাটাও প্ৰৱন্ধ লেখিছিল। 'জোনাকী', 'শেৱালি' আদিতো চন্দ্ৰবালাৰ লেখা নিয়মিতভাবে প্ৰকাশ হৈছিল বুলি জনা গৈছে। কিন্তু সেই কাকত, আলোচনীৰ নিৰ্দিষ্ট সংখ্যাবোৰ পোৱাটো অসম্ভৱ হৈ পৰিছে। নাৰীমনৰ ক্ষোভ,আশা-আকাংক্ষা, সুখ-দুখ, হাঁহি-কান্দোন চন্দ্ৰবালাৰ গল্পসমূহৰ মূল বিষয়বস্তু। এই ধৰণৰ বিষয়বস্তু নিৰ্বাচনে লেখিকাৰ গণতান্ত্ৰিক চিন্তাসমৃদ্ধ মনৰ পৰিচয় দাঙি ধৰে। তেখেতৰ প্ৰকাশিত অপ্ৰকাশিত লেখাসমূহৰ প্ৰণালীবদ্ধ অধ্যয়ন, পৰ্যালোচনাৰ মাজেদি আৰু ন ন চিন্তাৰ দিশ মুকলি কৰিব পাৰে বুলি আশা কৰিব পাৰি।

শিশু আলোচনী 'অকণ' আৰু 'অৰুণে' চন্দ্ৰবালাৰ চেমনীয়া মনত গভীৰ ভাৱে ৰেখাপাত কৰিছিল । এইবিলাকৰ অধ্যয়নে চন্দ্ৰবালাৰ মেধাবী গুণক আৰু তীক্ষ্ণধী কৰি তুলিছিল। এনেকি আলোচনীত প্ৰকাশিত যি কোনো ধৰণৰ 'সাঁথৰ'ৰ উত্তৰ উলিওৱাত চন্দ্ৰবালা পাকৈত হৈ উঠিছিল। 'সাঁথৰ'ৰ উত্তৰ উলিওৱাৰ সফলতাৰ বাবে কলকাতাৰ জবাকুসুম কোম্পানীৰ দ্বাৰা তেওঁ পুৰস্কৃত হৈছিল। সেই সময়ত প্ৰকাশিত বাঁহী, বন্তি, উষা, অসম বান্ধৱ আদি কাকত আলোচনীৰ অধ্যয়নে চন্দ্ৰবালাৰ অধ্যয়ন পিপাসু মনক সমৃদ্ধ কৰিছিল। চন্দ্ৰবালাৰ মনৰ খবৰো দিছিল লেখনি সমূহেই '--- গোটেই জন্মভূমিৰ কেৱল হাহাকাৰ, দাৰিদ্ৰ জনিত কৰুণ আৰ্তনাদ। অন্ন, বস্ত্ৰ, ধন, মান, জ্ঞান, বিদ্যা, বুদ্ধি, ধৰ্ম, কৰ্মৰ অৰ্থে বিপুল আয়োজন, অথচ একোৱে অটা নাই---' ---' আভিজাত্য গৰ্ব- য'ত মানুহৰ অধিকাৰ নাই, তাতে উচ্চ বৰ্ণৰ লোকসমূহ ওফন্দি, অন্যান্য সৰ্বশ্ৰেণীৰ মনুষ্যত্ব হ্ৰাস প্ৰাপ্ত কৰিছে ---' (কমল)

### শিক্ষা সংস্কাৰত চন্দ্ৰবালাৰ ভূমিকা

চন্দ্ৰবালাৰ সুদীৰ্ঘ ৪১ বছৰীয়া শিক্ষকতা কাল বিদ্যালয়ৰ সুপৰিচালনা, শিক্ষাৰ্থীৰ উপযোগী তথা মনোগ্ৰাহী হোৱাকৈ কৰা পাঠদান আৰু

বুনিয়াদ গঢ়াৰ অভিনৱ সমাহাৰ। সাহিত্য, বুৰঞ্জী, ভূগোল, অংক আদি বিষয়সমূহ ছাত্ৰীসকলে বুজিব পৰাকৈ আৰু আগ্ৰহ বৃদ্ধি কৰাৰ লক্ষ্যৰে তেওঁ পাঠদান কৰিছিল। তেখেতৰ সুযোগ্যা ছাত্ৰী মীনা আগৰৱালাই লিখিছে - 'তেখেতৰ সাহিত্য পঢ়ুওৱাৰ লালিত্য, কাব্যিকতা, ইতিহাসক জীৱন্ত কৰাই নহয়, ইতিহাসৰ শিক্ষাক বিশ্লেষণ কৰা। অংক শিকোৱাৰ অভিনৱ পদ্ধতি আজিও স্মৃতিৰ মণিকোঠাত সংৰক্ষিত হৈ আছে।'

বিদ্যালয়ৰ ছাত্ৰীসকলক পাঠ্যপুথিসমূহৰ শিক্ষা দিয়াৰ লগে লগে তেওঁলোকৰ মাজত লুকাই থকা গুণ প্ৰতিভাৰাজি বিকাশ ঘটোৱাৰ ক্ষেত্ৰতো চন্দ্ৰবালা বৰুৱাই সমানেই গুৰুত্ব দিছিল। ছাত্ৰীসকলৰ সামগ্ৰিক বিকাশ আৰু ব্যক্তি হিচাপে ভৱিষ্যতে গঢ় দিবৰ বাবে তেখেতে সময় দিছিল; যাৰ বাবে প্ৰয়োজনত কেতিয়াবা অতি কঠোৰ হৈছিল কেতিয়াবা মেলি দিছিল মাতৃ হৃদয়ৰ স্নেহ-কৰুণাৰ সাগৰ। এইখিনি কাম আগুৱাই নিবৰ বাবে তেখেতে সংস্কাৰমূলক দৃষ্টিভংগি লৈ আগবাঢ়িছিল।

বিদ্যালয়ত বছৰি হোৱা সৰস্বতী পূজাত পূজা-অৰ্চনাৰ লগে লগে প্ৰদৰ্শনী, গীত-নৃত্য, কবিতা আবৃত্তি, শ্লোক পাঠ আদিৰ আয়োজন কৰি ছাত্ৰীসকলক জড়িত কৰোৱাৰ ব্যৱস্থা কৰিছিল। প্ৰতি শনিবাৰে বিদ্যালয়ত তৰ্ক সভা, ৰচনা পাঠ, আবৃত্তি, কবিতা পাঠৰ অনুষ্ঠান পাতি ছাত্ৰীসকলৰ সাংস্কৃতিক, মানসিক উৎকৰ্ষ সাধনৰ চেষ্টা কৰিছিল। বিদ্যালয় পৰিচালনাৰ গধুৰ দায়িত্বভাৰ সুকলমে চলাই যোৱাৰ লগে লগে ছাত্ৰীসকলৰ খোজে প্ৰতি মনোযোগ দিবলৈ আহৰি পোৱা, মনত আগ্ৰহ ওপজা সঁচাই বিৰল প্ৰতিভাৰে নামান্তৰ। কেৱল সেয়েই নহয়, ছাত্ৰীসকলৰ স্বাস্থ্যৰক্ষাৰ প্ৰতিও তেখেতে গুৰুত্ব দিছিল। ছাত্ৰীসকলৰ পৰা নিম্নতম বৰঙণি লৈ গজালি মেলা বুট-মগু, কল আদি খুওৱাৰ ব্যৱস্থা কৰিছিল। ছাত্ৰী আৰু অভিভাৱকৰ সৈতে মধুৰ সম্পৰ্ক অটুট ৰাখি প্ৰতিগৰাকী ছাত্ৰীৰ শিক্ষাৰ উত্থান পতনৰ খতিয়ান সভাসমূহত দাঙি ধৰিছিল। বিশিষ্ট মহিলা কবি নলিনী বালা দেৱী প্ৰমুখ্যে বিভিন্ন ব্যক্তিক মাতি আনি ছাত্ৰীসকলক ভাষণ শুনোৱাৰ ব্যৱস্থা কৰিছিল। বিশ্বায়ন তথা আজিৰ সময়ে ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীক আত্মমুখী কৰি তোলাৰ প্ৰবণতা, মানসিকতাৰ প্ৰতি চন্দ্ৰবালা বৰুৱা আজিও এক প্ৰত্যাহ্বান। নিজ মেধা, প্ৰতিভা, সমাজমুখী চিন্তা-শক্তি, কৰ্মোদ্যম চন্দ্ৰবালা বৰুৱাই কেৱল



আনৰ হিতৰ কাৰণে উচৰ্গা কৰি গ'ল। দৰাচলতে চিৰাচৰিত শিক্ষাদান পদ্ধতিৰ সলনি কৰি, সংস্কাৰ সাধন কৰি এক গণতান্ত্ৰিক চেতনাৰ উন্মেষ ঘটাবলৈ চেষ্টা কৰিছিল তেখেতে, এক অৰ্থত সফলো হৈছিল। কিয়নো ঊষা বেজবৰুৱা, বিমল ভাগৱতী, হেমনলিনী দেৱী, নগেন্দ্ৰ বালা দেৱী, মাধৱী বৰুৱা, স্বৰ্ণ ঢেকিয়াল ফুকন, হিমাদ্ৰী দেৱী, অনুবালা মহন্ত, সত্যবতী দাস, প্ৰমিলা বৰুৱা আদি ছাত্ৰীসকলে মেধা আৰু প্ৰতিভা উভয় ক্ষেত্ৰতে স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছিল।

কেৱল নিজ বিদ্যালয়ৰ ছাত্ৰীসকলক নহয় ইয়াৰ বাহিৰেও শিক্ষাৰ প্ৰতি আগ্ৰহী ছোৱালী, বয়সস্থ মহিলাৰ প্ৰতিও চন্দ্ৰবালাই সহানুভূতিৰ হাত আগবঢ়াইছিল। তেজপুৰ পল' ফিল্ডৰ নিজা বাসভৱনটি চন্দ্ৰবালা বৰুৱাই এক শিক্ষাদান কেন্দ্ৰ ৰূপে ব্যৱহাৰ কৰিবলৈ এৰি দিছিল। ১৯৬৩ চনৰ পৰা ১৯৬৫ চনলৈ দুটা বছৰ পঁচিশ গৰাকী বয়স্কা মেট্ৰিক পৰীক্ষাৰ্থীক তেখেতে নিজা তত্ত্বাৱধানত ৰাখি শিক্ষাদান কৰিছিল। শিক্ষাদান কৰিছিল শিক্ষক লুডাইৰাম দাস আৰু বিপিন পাল দাসৰ পত্নী আৰতি দাসে। তেজপুৰ মহিলা সমিতিৰ তৰফৰ পৰা এই কচিং ক্লাচৰ দিহা কৰা হৈছিল যদিও চন্দ্ৰবালা বৰুৱাই প্ৰয়োজনীয় কিতাপপত্ৰ, টকা-পইচা পৰ্যন্ত দি সহায়ৰ হাত আগবঢ়াইছিল। নাৰী শিক্ষাৰ প্ৰতি এইগৰাকী উদ্যমী নাৰীৰ প্ৰচেষ্টাই চিৰদিন শিক্ষাব্ৰতী ব্যক্তিক সাহস, প্ৰেৰণা যোগাই যাব, ই এক আদৰ্শ।

**পৰিয়াল পৰিচালনাত চন্দ্ৰবালা**

চন্দ্ৰবালা বৰুৱাই এক সহজ সৰল, অনাড়ম্বৰ জীৱন যাপন কৰিছিল। তিনি বছৰ বয়সৰ পৰা শেষ বয়সলৈকে তেখেতে দুখে ভৰা জীৱন সাগৰত বাউসী বলে সাঁতুৰি নাদুৰি পাৰ চুবলৈ আপ্ৰাণ চেষ্টা কৰোতেই গ'ল। তিনি বছৰ বয়সতে মাকক হেৰুৱায় চন্দ্ৰবালাই। চন্দ্ৰবালাকে ধৰি মাক মাহিন্দ্ৰী পটংগীয়াৰ নটি ল'ৰা ছোৱালী বৰমাক সুমিত্ৰা পটংগীয়াৰ বহল মাতৃহৃদয়ত সোমাই ডাঙৰ দীঘল হয়। তেৰ বছৰ হওঁ কি নৌ হওঁতেই চন্দ্ৰবালা শিক্ষয়িত্ৰী পদত নিযুক্ত হৈছিল বিশ টকা মাহিলী বেতনত। চাকৰিত সোমোৱাৰ পাছতেই তেওঁৰ দুজনকৈ ককায়েক কলাজ্বৰত মৃত্যু হোৱা ঘটনাই পৰিয়ালটোক দুখ সাগৰত বুৰাই থৈ গৈছিল। চন্দ্ৰবালাই পাঁচ বছৰ মানৰ পাছত আৰোগ্য লাভ কৰিছিল যদিও তেওঁৰ জীৱনলৈ অধিক দুখৰ বাতৰি আহিবলৈ অপেক্ষা কৰি

আছিল। ভনীয়েক লীলাৱতীৰ স্বামীৰ অকাল বিয়োগ ঘটাত ভনীয়েক আৰু একমাত্ৰ সন্তানৰ দায়িত্ব চন্দ্ৰবালাই গ্ৰহণ কৰে। চন্দ্ৰবালা আৰু স্বামী শিৱকান্ত বৰুৱাৰ নিজৰ সন্তান নাছিল যদিও দুটি ল'ৰাক পুত্ৰ হিচাপে গ্ৰহণ কৰি আপোন সন্তানৰ মৰ্যাদাৰে ডাঙৰ দীঘল কৰিছিল। স্বামী শিৱকান্ত বৰুৱা, যাৰ সাহচৰ্য চন্দ্ৰবালাৰ যন্ত্ৰণাভৰা জীৱনৰ সাহস আছিল, তেওঁকো কেইবাবছৰো দুৰাৰোগ্য ৰোগত আক্ৰান্ত হোৱাৰ মূৰকত হেৰুৱায়।

কিন্তু চন্দ্ৰবালা জীৱন যান্ত্ৰণাই ভাগৰুৱা কৰা নাৰীয়েই নাছিল। তিনিটাকৈ মাউৰা ল'ৰাক বুকুত সাৱটি চন্দ্ৰবালাই উপযুক্ত কৰি গঢ়ি তুলিছিল। লীলাৱতীৰ সন্তান শ্ৰীকল্যাণ বৰুৱাক সুদক্ষ চিকিৎসক হিচাপে গঢ়ি তুলি উচ্চ শিক্ষাৰ্থে ইংলেণ্ডলৈ পঠিয়ায় ১৯৬০ চনত। অন্য দুটি পুত্ৰ শ্ৰীকমল বৰুৱা আৰু শ্ৰীনৈবেদ্য প্ৰতিম বৰুৱাক উপযুক্ত শিক্ষা-দীক্ষাৰে সমাজৰ একোজনকৈ গঢ়ি তুলিছিল। কমল বৰুৱা বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ উচ্চ পদস্থ বিষয়া আৰু নৈবেদ্য বৰুৱা এজন শিক্ষিত ব্যৱসায়ী ৰূপে প্ৰতিষ্ঠিত।

অতি ব্যস্ততাভৰা, যন্ত্ৰণাভৰা জীৱনে চন্দ্ৰবালাক মিতব্যয়ী হ'বলৈ শিকাইছিল; মিতব্যয়ী আছিল অৰ্থৰো, সময়ৰো। চন্দ্ৰবালাই সামান্য উপাৰ্জনেৰে ঘৰখন নিয়াৰিকৈ চলাইছিল। আৰ্থিক সুবিধাৰ বাবে ঘৰৰ বাৰীখনতে নানান ধৰণৰ শাক-পাচলি, ফল-মূল আদি কৰিছিল, মৌ উৎপাদন কৰিছিল। ছাত্ৰীসকলক ব্যক্তি হিচাবে গঢ়াৰ, শিক্ষাক সংস্কাৰ সাধন কৰাৰ প্ৰয়াস, কষ্টভৰা সংসাৰৰ পৰিচালনাৰ মাজত কোৰ-কটাৰী ধৰিবলৈ এইগৰাকী নাৰীয়ে কেনেকৈ সময় উলিয়াইছিল ভাবিলে তবধ মানিব লাগে। এগৰাকী নাৰী কিমান সমৰ্থবান হ'ব পাৰে চন্দ্ৰবালা বৰুৱাৰ জীৱনেই উদাহৰণ। নিয়মানুবৰ্ত্তিতা, মিতব্যয়িতা, নিজৰ কামৰ ওপৰত গভীৰ বিশ্বাস আৰু নিষ্ঠাৰ অবিহনে একোজন ব্যক্তিৰ জীৱন ইমান পয়োভৰ হ'ব নোৱাৰে। চন্দ্ৰবালা এই আটাইবোৰ গুণৰ অধিকাৰী হ'ব পাৰিছিল বাবেই পৰিয়াল পৰিচালনাৰ ক্ষেত্ৰতও কৃতিত্ব অৰ্জন কৰিব পাৰিছিল।

**অসমৰ 'অচ্ছি বেটী' চন্দ্ৰবালা বৰুৱা**

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ নীৰৱ কৰ্মী চন্দ্ৰবালা বৰুৱাই মহিলা সমিতিৰ হৈ মহাত্মা গান্ধীৰ হাতত ১৯৩৪ চনত হৰিজন পুঁজিলৈ এশ এটকাৰ টোপোলা আগবঢ়াওঁতে গান্ধীয়ে আহ্লাদিত হৈ পিঠিত থপৰিয়াই 'অচ্ছি



বেটী' বুলি প্ৰশংসা কৰিছিল।এই গৰাকী নাৰী সংগঠকৰ মনত তেজপুৰ মহিলা সমিতি আছিল নিজৰ কন্যা সন্তান স্বৰূপ। মহিলা সমিতিৰ বিষয়ে কোনো বিৰূপ মন্তব্য তেওঁ সহ্য নকৰিছিল আৰু এনে ধৰণৰ প্ৰতিক্ৰিয়াই যাতে সমিতিৰ ওপৰত কোনো ধৰণৰ প্ৰভাব পেলাব নোৱাৰে, তাৰ প্ৰতি সচেষ্ট আছিল। অৱসৰ লোৱাৰ পাছতও সমিতিৰ খা-খবৰ ৰাখি ঘৰৰ পৰাই সম্পৰ্ক ৰাখিছিল।

চন্দ্ৰবালাৰ জীৱন বহুমুখী কৰ্ম প্ৰতিভাৰ সমাহাৰ। এনে সৰ্বগুণ সম্পন্ন নাৰী অসমৰ ইতিহাসত আঙুলি মূৰত লিখিব পৰা। চন্দ্ৰবালাৰ জীৱনত এনে এটি দিশ নাই যিটো প্ৰতিভাত নোহোৱাকৈ থাকি গ'ল। ছোৱালী কৰ্মক্ষেত্ৰত স্বাধীনভাবে আগবাঢ়ি যোৱাৰ বাবে যি সময়ত আছিল বাধা, নীতি-নিয়মৰ হেঙাৰ, সংস্কাৰ, সেই সময়তে মহিলা সমিতি গঢ়ি তুলি শেষ বয়সলৈকে সংগঠকৰ ৰূপত শ্ৰম আগবঢ়াই গ'ল। কেৱল শিক্ষাদান কৰাই নহয়, শিক্ষাৰ ক্ষেত্ৰত সংস্কাৰ সাধনৰ প্ৰচেষ্টাও তেখেতে চলাইছিল। সমানেই নাৰী সমাজৰ সাংস্কৃতিক, মানসিক বিকাশৰ বাবে প্ৰস্তুতি গ্ৰহণ কৰি গ'ল। দেশৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত নাৰীৰ অংশগ্ৰহণৰ বাস্তৱতা সমিতিয়ে গ্ৰহণ কৰা প্ৰস্তাৱৰ মাজেৰে দেখুৱাই গ'ল। মাউৰা সন্তানক নিজ সন্তানৰ মৰ্যাদা প্ৰদানৰ মাজেৰে নাৰী হৃদয়ৰ মাতৃ স্নেহ, উদাৰতা সমাজৰ সমুখত দাঙি ধৰিলে। দেখুৱালে পৰিয়াল সু-পৰিচালনাৰ কৃতিত্ব।

এনে এগৰাকী নাৰীক 'অচ্ছি বেটী' বুলি ক'লে আচলতে কম কোৱা হয়। চন্দ্ৰবালা বৰুৱাৰ জীৱনজোৰা ত্যাগ, শ্ৰম, নিষ্ঠা, মিতব্যয়িতা, শৃংখলাবোধ আৰু গণতান্ত্ৰিক চেতনাবোধ মহাত্মা গান্ধীয়ে পুনৰ বাৰ অসমলৈ আহি দেখাহি হ'লে সেইবাৰ নিশ্চয় তেখেতক 'সচ্ছি বেটী' বুলি অভিহিত কৰিলেহেতেন। চন্দ্ৰবালা বৰুৱাৰ জীৱন পৰিক্ৰমাৰ ইতিহাস নাৰী সমাজে, ৰাইজে অধ্যয়ন কৰা উচিত। তেখেতৰ জন্মদিন বা মৃত্যুদিনটো নাৰী সচেতনতাৰ দিন ৰূপে উদযাপিত কৰিব পাৰি। তেতিয়াহে এই গৰাকী প্ৰচাৰ বিমুখ অথবা প্ৰচাৰৰ ঠাই নোপোৱা ব্যক্তিক যথাযোগ্য সন্মান জনোৱা হ'ব।